# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-MAY-2026 **Time :** 1800 HRS

***Assamese Evening Bulletin***

## Headlines

-------------------

১। মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ অসম বিধানসভা নিৰ্বাচনত জয়লাভ কৰা প্ৰাৰ্থীসকলৰ সম্পূৰ্ণ তালিকা ৰাজ্যপালক অৰ্পণ।

২। ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক পদত্যাগ পত্ৰ দাখিল।

৩। অসম গণ পৰিষদৰ বিধায়িনী দলৰ বৈঠকত অতুল বৰাক দলপতি হিচাপে বাছনি।

আৰু

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পঞ্জাব কিংছ আৰু ছান ৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি।

০০০০০০০

অসম বিধানসভা নিৰ্বাচন সফলভাৱে সম্পন্ন হোৱাৰ পাছত ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি নিৰ্বাচনত জয়লাভ কৰা প্ৰাৰ্থীসকলৰ সম্পূৰ্ণ তালিকা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। শ্ৰীগোৱেলৰ নেতৃত্বত এটা দলে ৰাজ্যপালক সাক্ষাৎ কৰি ১২৬ জনীয়া অসম বিধানসভাৰ নৱনিৰ্বাচিত সদস্যসকলৰ তালিকাখন দাখিল কৰে। জনপ্ৰতিনিধিৰ এই তালিকা লাভৰ পাছতে ৰাজ্যপালে নতুন চৰকাৰ গঠন কৰাৰ বাবে সংখ্যাগৰিষ্ঠ দলটোক শপত গ্ৰহণৰ বাবে আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনাব। স্বাভাৱিকতে ৰাজ্যপালৰ এই আমন্ত্ৰণ ভাৰতীয় জনতা পাৰ্টিয়ে লাভ কৰিব। উল্লেখযোগ্য যে এইবাৰ নিৰ্বাচনত বিজেপিয়ে অকলেই মুঠ ৮২ খন আসন লাভ কৰিছে। আনহাতে এন ডি এ মিত্ৰজোঁটৰ সহযোগী অগপ আৰু বিপিএফে ১০ খনকৈ আসন লাভ কৰিছে।

ইপিনে বিজেপিৰ জ্যেষ্ঠ নেতা ড$^{O}$ হিমন্ত বিশ্ব শৰ্মাই সাংবিধানিক নিয়ম ৰক্ষা কৰি আজি ৰাজ্যপালৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰে। ইয়াৰ লগে লগে চলিত পঞ্চদশ বিধানসভা আনুষ্ঠানিকভাৱে ভংগ হয়। নতুন চৰকাৰ গঠন নোহোৱা পৰ্যন্ত বৰ্তমানৰ মন্ত্ৰীসভাক তত্বাৱধায়ক চৰকাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ ৰাজ্যপালগৰাকীয়ে পৰামৰ্শ দিয়ে। পদত্যাগ পত্ৰ দাখিল কৰি ড০ শৰ্মাই সংবাদমাধ্যমৰ আগত এইদৰে কয়–

**বাইট (চি এম)**

উল্লেখযোগ্য যে বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই অসমত দলটোৰ বিধায়িনী দলৰ নেতা বাছনি কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাক পৰ্যবেক্ষক আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং ছাইনীক সহ-পৰ্যবেক্ষক হিচাপে নিযুক্ত কৰিছে।

নতুন মন্ত্ৰীসভাৰ শপত গ্ৰহণক লৈ প্ৰস্তুতি চলি থকাৰ মাজতে বিধানসভা সচিবালয়ে অহা ১৮ মে'ৰ পৰা অসম বিধানসভাৰ অধিবেশন অনুষ্ঠিত হোৱাৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছে। যোড়শ অসম বিধানসভা গঠনৰ বাবে তিনিদিনীয়াকৈ হ'বলগীয়া এই অধিবেশনত সকলো নৱনিৰ্বাচিত বিধায়ক-বিধায়িকাই শপত ল'ব। ইয়াৰ পূৰ্বে ৰাজ্যপালে অস্থায়ী অধ্যক্ষ এগৰাকীক শপতবাক্য পাঠ কৰোৱাব আৰু সেই অধ্যক্ষগৰাকীয়ে বিধানসভাত আন বিধায়ক-বিধায়িকাসকলক শপতবাক্য পাঠ কৰোৱাব।

০০০০০০০

অসম গণ পৰিষদ দলৰ বিধায়িনী দলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি আমবাৰীৰ কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত হয়। অতুল বৰাৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত দলটোৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাংসদ ফণীভূষণ চৌধুৰীকে ধৰি বিধানসভা নিৰ্বাচনত জয়ী হোৱা ১০ গৰাকী প্ৰাৰ্থীৰ উপৰি অন্যান্য ব্যক্তিসকল উপস্থিত থাকে। বৈঠকত নৱ-নিৰ্বাচিত বিধায়কসকলক সম্বৰ্ধনা জনোৱা হয়। কেইবাঘণ্টাজুৰি চলা আলোচনাৰ অন্তত অতুল বৰাক বিধায়িনী দলৰ নেতা আৰু কাৰ্যকৰী সভাপতি হিচাপে থকা কেশৱ মহন্ত উপ-দলপতি হিচাপে বাছনি কৰে। একেদৰে দলৰ সাধাৰণ সম্পাদক তথা ডিমৰীয়া সমষ্টিৰ পৰা নৱনিৰ্বাচিত বিধায়ক ড০ তপন দাসক দলৰ সচিব আৰু বজালীৰ নৱনিৰ্বাচিত বিধায়ক ধৰ্মেশ্বৰ ৰায়ক মুখ্য সচেতকৰ দায়িত্ব অৰ্পণ কৰা হয়। দলটোৰ পৰ্যবেক্ষক বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই সদস্যসকলক শুভেচ্ছা জনায়।

**বাইট (বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য)**

বৈঠকত নৱনিৰ্বাচিত বিধায়কসকলে তেওঁলোকৰ সমষ্টিসমূহৰ উন্নয়নৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰি যোৱাৰ সংকল্প লয়।

বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই এই বৈঠকত অংশ লৈ মিত্ৰ দলটোৰ প্ৰাৰ্থীসকলক শুভেচ্ছা জনায়। তেওঁ লগতে দলৰ নেতাসকলৰ সৈতে মত বিনিময় কাৰ্যসূচীতো অংশ লয়।

০০০০০০০

পশ্চিমবংগত নতুন বিজেপি চৰকাৰে অহা ৯ মে'ত শপতগ্ৰহণ কৰিব। ৰাজ্যখনত বিজেপিৰ সভাপতি সমিক ভট্টাচাৰ্যই সংবাদমাধ্যমৰ আগত এইকথা সদৰি কৰি কয়, যে ব্ৰীগেড পেৰেড গ্ৰাউণ্ডত অহা শনিবাৰে দিনৰ ১০ বজাত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিজেপিশাসিত ৰাজ্যসমূহৰ কেইবাগৰাকী মুখ্যমন্ত্ৰী উপস্থিত থকাৰ সম্ভাৱনা আছে বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

অহা ৯ মে'ত দেশজুৰি হ'বলগীয়া ৰাষ্ট্ৰীয় লোকআদালতৰ লগত সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত জিলাসমূহৰ আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত লোকআদালত অনুষ্ঠিত হ'ব। সেই অনুসৰি ডিফুৰ জিলা ন্যায়িক আৰু বোকাজানৰ মহকুমা ন্যায়িক আদালতৰ চৌহদত অনুষ্ঠিত হ'বলগা লোকআদালতত ফৌজদাৰী আৰু দেৱানী গোচৰকে আদি কৰি বিভিন্ন গোচৰসমূহ নিষ্পত্তি কৰা হ'ব। জিলা আইন সেৱা প্ৰাধিকৰণ কৰ্তৃপক্ষই আদালতৰ পৰা জাননী লাভ কৰা সকলো ব্যক্তিকে নিজ নিজ গোচৰসমূহ নিষ্পত্তি কৰাৰ বাবে উপস্থিত থাকিবলৈ আহ্বান জনায়।

লখিমপুৰ জিলা আদালত আৰু ঢকুৱাখনা মহকুমা লোকআদালত অনুষ্ঠিত হ'ব। বিভিন্ন ফৌজদাৰী আৰু দেৱানী গোচৰৰ লগত জড়িতসকলক সেইদিনা পুৱা ১০ বজাত উপস্থিত থাকিবলৈ জিলা আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

ভাৰতীয় সেনাবাহিনীয়ে অৰুণাচল প্ৰদেশৰ ডিৰাঙৰ লোপন ষ্টেডিয়ামত অহা ১০ মে'ৰ পৰা ১৩ মে' লৈ পৰ্টাৰ নিযুক্তি শিবিৰৰ আয়োজন কৰিছে। ৰাজ্যখনৰ পশ্চিম কামেং জিলাত থকা বৈশাখী সেনাবাহিনীৰ শিবিৰৰ উদ্যোগত আয়োজন কৰা এই নিযুক্তি শিবিৰত ১৭৯ দিনৰ বাবে মুঠ ৬০০গৰাকী পৰ্টাৰ নিয়োগ কৰা হ'ব। ভাৰত, নেপাল আৰু ভূটানৰ প্ৰাৰ্থীৰ বাবে এই শিবিৰ মুকলি থাকিব। ইয়াৰ বাবে ১৮বছৰৰ পৰা ৩৯ বছৰৰ ভিতৰৰ প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। শাৰীৰিকভাৱে সুস্থ তথা যিকোনো ধৰণৰ সংক্ৰামক ৰোগৰ পৰা মুক্ত পুৰুষ প্ৰাৰ্থীসকলেহে এই শিবিৰত

অংশ ল'ব পাৰিব। আগ্ৰহীসকলে প্ৰয়োজনীয় নথিপত্ৰ জমা দিব লাগিব। শোণিতপুৰ জিলা দণ্ডাধীশ কাৰ্যালয়ে এখন বিজ্ঞপ্তি যোগে জানিব দিয়া অনুসৰি আগ্ৰহী প্ৰাৰ্থীসকলে ৯৮৭৭৮-৫৮৩০১, ৭৯৮৬০-২৩২৪০ আৰু ৯৭১১৬-৮২২৮৯ নম্বৰত ফোন কৰি সবিশেষ জানিব পাৰিব।

০০০০০০০

ভাৰত আৰু ভূটানৰ মাজত শৈক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ লক্ষ্যৰে কালি তেজপুৰ মহাবিদ্যালয়ত সপ্তাহজোৰা আন্তঃৰাষ্ট্ৰীয় ছাত্ৰ-শিক্ষক শৈক্ষিক বিনিময় কাৰ্যসূচী আৰম্ভ হৈছে। মহাবিদ্যালয়খনৰ ভূগোল বিভাগৰ উদ্যোগত আয়োজিত এই সপ্তাহজোৰা কাৰ্যসূচীত ৰয়েল ইউনিভাৰচিটি অৱ ভূটানৰ ১৫জনীয়া এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰে। তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মনোজ কুমাৰ হাজৰিকাই এই কাৰ্যসূচী শুভাৰম্ভ কৰে। ভাষণ প্ৰসংগত ড০ হাজৰিকাই কয়, যে দুয়োখন শিক্ষানুষ্ঠানৰ এই শৈক্ষিক আৰু সাংস্কৃতিক বিনিময় কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক উপকৃত কৰাৰ লগতে দেশ দুখনৰ মানৱ সম্পদ গঢ়াত উল্লেখনীয় বৰঙণি আগবঢ়াব। উল্লেখযোগ্য যে, সপ্তাহজোৰা হ'বলগীয়া এই কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে দুয়োখন প্ৰতিষ্ঠানৰ ভূগোল বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ মাজত শৈক্ষিক সম্পৰ্ক, পাঠদান পদ্ধতিৰ নৱীকৰণ, ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু সাংস্কৃতিক সহযোগিতা উন্নত কৰা।

০০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ অসম-মেঘালয় সীমান্তৰ খান্দুলি খেলপথাৰত সীমান্তকেন্দ্ৰিক বিষয় সন্দৰ্ভত আজি জিলা প্ৰশাসনৰ এখন গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ অনুষ্ঠিত হয়। দুয়োখন সীমান্তবাসী জিলাৰ জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষক পৰ্যায়ৰ এই আলোচনা চক্ৰত সীমান্তৱৰ্তী খান্দুলি, তাপাত, লাংকেৰই অঞ্চলত শান্তি, সম্প্ৰীতি অটুট ৰাখি পাৰি সেই সন্দৰ্ভত আলোচনা কৰে। অনুষ্ঠানত সীমান্তৱৰ্তী জিলা কেইখন ছাত্ৰ সংগঠনৰ লগতে সীমান্ত উন্নয়ন সমিতিৰ বিষয়ববীয়াও উপস্থিত থাকে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ, ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কালি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে দেলহী কেপিটেলছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত